**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-04-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে আজি ৰাজস্থানৰ চুৰুত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী সমাবেশত সমবেত লোকসকলক সম্বোধন কৰিব।

২। নিৰ্বাচন আয়োগে আজি বিগত নিৰ্বাচনত কম ভোটদান হোৱা ১১ খন ৰাজ্যৰ পৌৰ আয়ুক্ত আৰু বচা বচা জিলা নিৰ্বাচনী বিষয়াৰ সৈতে বৈঠকৰ আয়োজন কৰিছে ।

৩। কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ৰ সৈতে সংগতি ৰাখি পৰীক্ষা তথা মূল্যায়ন পদ্ধতিত কিছু সাল-সলনি ঘটাইছে।

৪। লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে অসমত ৬৫ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদ মুখামুখি হ'ব।

০০০০০০০

দেশৰ বিভিন্ন প্ৰান্তত লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে আজি ৰাজস্থানৰ চুৰুত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী সমাবেশত সমবেত লোকসকলক সম্বোধন কৰিব। শ্ৰীমোদী কাইলৈ পুস্কৰত উপস্থিত হ'ব। ইপিনে কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে ছিট্টোৰগড়ৰ মনোনয়ন পত্ৰ দাখিলৰ সমদলত অংশগ্ৰহণ কৰা লোকসকলক সম্বোধন কৰে।

০০০০০০০

দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰসমূহ আজি পৰীক্ষা কৰা হ'ব। জম্মু-কাশ্মীৰত কাইলৈ মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। উল্লেখযোগ্য যে, দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ কালি আছিল অন্তিম দিন। অহা ২৬ মাৰ্চত আউটাৰ মণিপুৰ লোকসভা সমষ্টিৰ বাকী থকা অংশ তথা ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৮৮ খন লোকসভা আসনৰ বাবে দ্বিতীয় পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। কেৰালাৰ ১২ খন, কৰ্ণাটকৰ ১৪ খন, ৰাজস্থানৰ ১৩ খন, মধ্যপ্ৰদেশত ৭ খন আসনৰ উপৰি উত্তৰ প্ৰদেশ আৰু মহাৰাষ্ট্ৰত ৮ খনকৈ আসন, অসম আৰু বিহাৰত ৫ খনকৈ, পশ্চিম বংগ আৰু ছত্তিশগড়ত ৩ খনকৈ তথা মণিপুৰ, ত্ৰিপুৰা আৰু জম্মু-কাশ্মীৰত এখনকৈ আসনৰ বাবে দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনত ভোটগ্ৰহণ কৰা হ'ব। জম্মু-কাশ্মীৰকে ধৰি দ্বিতীয় পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰাৰ্থীসকলৰ বাবে সোমবাৰ হৈছে প্ৰাৰ্থীত্ব প্ৰত্যাহাৰৰ অন্তিম দিন।

০০০০০০০

নিৰ্বাচন আয়োগে আজি বিগত নিৰ্বাচনত কম ভোটদান হোৱা ১১ খন ৰাজ্যৰ পৌৰ আয়ুক্ত আৰু বচা বচা জিলা নিৰ্বাচনী বিষয়াৰ সৈতে বৈঠকৰ আয়োজন কৰিছে । নতুন দিল্লীত অনুষ্ঠিত হোৱা এই বৈঠকত মুখ্য নিৰ্বাচনী আয়ুক্ত ৰাজীৱ কুমাৰ তথা নিৰ্বাচনী আয়ুক্ত জ্ঞানেশ কুমাৰ আৰু সুখবীৰ সিং সান্ধুৱে অধ্যক্ষতা কৰিছে। বৈঠকত আসন্ন

লোকসভা নিৰ্বাচনত ভোটদানৰ হাৰ বৃদ্ধি কৰাৰ উপায় সম্পৰ্কে আলোচনা কৰা হৈছে। বৈঠকত নগৰ আৰু চহৰৰ একাংশ এলেকাত কম ভোটদানৰ সমস্যা দূৰ কৰাৰ বাবে বিশেষ কাৰ্য পৰিকল্পনাৰ বিষয়ে আলোচনা কৰা হৈছে। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা মতে বৈঠকত দিল্লী, মুম্বাই, চেন্নাই, বেংগালুৰু, হায়দৰাবাদ, আহমেদাবাদ, পুণে,থানে, নাগপুৰ, পাটনা চাহিব, লক্ষ্ণৌ আৰু কানপুৰৰ পৌৰ আয়ুক্তসকলৰ লগতে বিহাৰ আৰু উত্তৰ প্ৰদেশৰ বচা বচা জিলা নিৰ্বাচনী বিষয়াসকলে ভাগ লৈছে। মুখ্য নিৰ্বাচনী আয়ুক্তই সময়ে সময়ে ভোটগ্ৰহণ প্ৰক্ৰিয়াত নিম্ন অংশগ্ৰহণৰ কাৰণ হিচাপে নগৰীয়া উদাসীনতা আৰু গ্ৰাম্য এলেকাৰ পৰা প্ৰব্ৰজনৰ প্ৰত্যাহ্বান সম্পৰ্কে আলোকপাত কৰি আহিছে। ২০১৯ চনৰ লোকসভা নিৰ্বাচনৰ সময়ছোৱাত বিহাৰ, উত্তৰ প্ৰদেশ, দিল্লী, মহাৰাষ্ট্ৰ, উত্তৰাখণ্ড, তেলেংগানা, গুজৰাট, পাঞ্জাব, ৰাজস্থান, জম্মু আৰু কাশ্মীৰ তথা ঝাৰখণ্ডত ৰাষ্ট্ৰীয় ভোটদানৰ হাৰ ৬৭ দশমিক ৪-০ শতাংশতকৈ কম হৈছিল। ভোটদানৰ হাৰ কম হোৱা ৫০টা সংসদীয় সমষ্টিৰ ভিতৰত ১৭টা সমষ্টি মহানগৰ অঞ্চলত হোৱাৰ জৰিয়তে নগৰীয়া উদাসীনতা প্ৰতিফলিত হৈছে। তদুপৰি, ভোটদানৰ হাৰ কম হোৱা ৯ খন ৰাজ্যৰ ৫০টা গ্ৰাম্য সংসদীয় সমষ্টিত কিছু নিৰ্দিষ্ট বিষয় সন্দৰ্ভত আলোচনা তথা ভোটদানৰ হাৰ বৃদ্ধিৰ উদ্দেশ্যে কৌশল প্ৰস্তুত কৰাৰ বাবে বাছি লোৱা হৈছে।

0000000

অৰুণাচল প্ৰদেশৰ দুটা সংসদীয় সমষ্টিৰ বাবে অহা ১৯ এপ্ৰিলত নিৰ্বাচন অনুষ্ঠিত হ'ব। পূব অৰুণাচল সংসদীয় সমষ্টিৰ বাবে ছগৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। বিজেপি প্ৰাৰ্থী তথা সমষ্টিটোৰ সংসদ তাপিৰ গাঁও আৰু ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ প্ৰাৰ্থী বচিৰাম চিৰামৰ মাজত মূল প্ৰতিদ্বন্দ্বিতা হ'ব। বচিৰাম চিৰাম এগৰাকী জ্যেষ্ঠ কংগ্ৰেছ নেতা হোৱাৰ লগতে ৰাজ্যখনৰ প্ৰাক্তন কেবিনেট মন্ত্ৰী। বিজেপি আৰু কংগ্ৰেছৰ উপৰি ৰাজ্যখনৰ নৱগঠিত দল অৰুণাচল ডেম'ক্ৰেটিক ফ্ৰণ্টেও প্ৰাৰ্থী প্ৰক্ষেপ কৰিছে। সমষ্টিটোৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰা আন তিনিগৰাকী হৈছে নিৰ্দলীয় প্ৰাৰ্থী। উল্লেখযোগ্য যে, পূব অৰুণাচল সংসদীয় সমষ্টিত থকা ভোটদাতাৰ সংখ্যা হৈছে তিনি লাখ ৭৫ হাজাৰ ৩১০ । ইয়াৰ ভিতৰত ১ লাখ ৮৯ হাজাৰ ৭৪০ গৰাকী পুৰুষ ভোটদাতা হোৱাৰ বিপৰীতে ১ লাখ ৮৫ হাজাৰ ৫৬৯ গৰাকী মহিলা ভোটদাতা। আনহাতে, সমষ্টিটোত এগৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। সমষ্টিটোত ২৭টা বিধানসভা সমষ্টি থকাৰ লগতে ৯২০টা ভোটগ্ৰহণ কেন্দ্ৰ আছে।

0000000

গুজৰাটৰ আসন্ন লোকসভা নিৰ্বাচনৰ বাবে কংগ্ৰেছে ৩ গৰাকী প্ৰাৰ্থীৰ আন এখন তালিকা প্ৰকাশ কৰিছে। দলে বদোদৰা সমষ্টিৰ পৰা যশপাল সিং পাধিয়াৰক প্ৰাৰ্থীত্ব প্ৰদান কৰাৰ লগতে জুনাগড় আসনখনৰ বাবে হীৰাভাই জোট্ৱা আৰু সুৰেন্দ্ৰনগৰ আসনখনৰ বাবে ঋত্বিকভাই মকৱানাক প্ৰাৰ্থী হিচাপে থিয় কৰোৱাইছে।

0000000

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ৰ সৈতে সংগতি ৰাখি পৰীক্ষা তথা মূল্যায়ন পদ্ধতিত কিছু সাল-সলনি ঘটাইছে। নতুন পদ্ধতি অনুসৰি এতিয়া দক্ষতাভিত্তিক প্ৰশ্ন অধিক হোৱাৰ পৰিৱৰ্তে বিস্তৃত উত্তৰৰ প্ৰশ্নৰ সংখ্যা কম হ'ব। সংশোধিত নিৰ্দেশাৱলী অনুসৰি একাদশ আৰু দ্বাদশ শ্ৰেণীৰ বহুবিকল্প থকা প্ৰশ্নৰ ৰূপত দক্ষতাভিত্তিক প্ৰশ্নসমূহ পূৰ্বৰ ৪০ শতাংশৰ পৰা ৫০ শতাংশলৈ বৃদ্ধি কৰা হৈছে। আনহাতে, ২০২৪-২৫ শৈক্ষিক বৰ্ষত চমু তথা দীৰ্ঘ উত্তৰৰ প্ৰশ্নকে ধৰি বিস্তৃত উত্তৰৰ প্ৰশ্নসমূহ ৪০ শতাংশৰ পৰা ৩০ শতাংশলৈ হ্ৰাস কৰা হৈছে। অৱশ্যে ২০২৪-২৫ শৈক্ষিক বৰ্ষৰ নৱম আৰু দশম শ্ৰেণীৰ বাৰ্ষিক পৰীক্ষাৰ প্ৰশ্নকাকতৰ গাঁথনিত কোনো পৰিৱৰ্তন কৰা হোৱা নাই।

0000000

লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে অসমত ৬৫ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। এই পৰ্যায়ত ৫ খন আসনৰ বাবে প্ৰতিদ্বন্দ্বিতা হ'ব। এই পৰ্যায়ৰ বাবে মনোনয়নসমূহ আজি পৰীক্ষা কৰা হ'ব। এই পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰা প্ৰাৰ্থীসকলৰ ভিতৰত ৰাজ্যৰ পৰিবহণ আৰু আবকাৰী মন্ত্ৰী পৰিমল শুক্লবৈদ্য, বিজেপি সাংসদ কৃপানাথ মল্লা, দিলীপ শইকীয়া, কংগ্ৰেছ সাংসদ প্ৰদ্যুৎ বৰদলৈ, বিপিএফৰ বিধায়ক দুৰ্গাদাস বড়ো আছে। এ আই ইউ ডি এফ আৰু তৃণমূল কংগ্ৰেছেও তৃতীয় পৰ্যায়ৰ বাবে প্ৰাৰ্থী থিয় কৰাইছে।

ooooooo

নিৰ্বাচন আয়োগে আজি আম আদমী পাৰ্টিৰ নেত্ৰী তথা দিল্লীৰ মন্ত্ৰী আতিশীলৈ জাননী জাৰি কৰিছে। নিজৰ ৰাজনৈতিক ভৱিষ্যৎ ৰক্ষা কৰাৰ উদ্দেশ্যে বিজেপিত যোগদান কৰিবলৈ আতিশীক কোৱা হৈছিল বুলি তেওঁ অনা অভিযোগ সন্দৰ্ভত এই জাননী জাৰি কৰা হৈছে। এই জাননীৰ জৰিয়তে সোমবাৰৰ বিয়লিৰ পূৰ্বে প্ৰত্যুত্তৰ দিবলৈ তেওঁক কোৱা হৈছে। নেতাসকলে ৰাজহুৱা মঞ্চৰ জৰিয়তে প্ৰকাশ কৰা কথাসমূহ জনসাধাৰণে বিশ্বাস কৰে বুলি জাননীখনত উল্লেখ কৰি আয়োগে কয় যে, ই দৃষ্টিভংগীৰ পৰা এনেধৰণৰ বিবৃতিয়ে প্ৰচাৰ অভিযানত প্ৰভাৱ পেলাব পাৰে।নেত্ৰীগৰাকীৰ বক্তব্যৰ বাস্তৱভিত্তি থাকিব লাগিব বুলি উল্লেখ কৰি আয়োগে কয় যে প্ৰয়োজনত নেত্ৰীগৰাকীয়ে নিজৰ বক্তব্যৰ সত্যতা প্ৰতিপন্ন কৰিব লাগিব। ইয়াৰ পূৰ্বে বিজেপিয়ে এই সন্দৰ্ভত আতিশীৰ বিৰুদ্ধে অভিযোগ দাখিল কৰিছিল।

ooooooo

ঃসমাপ্তঃ